al No. of Printed Pages—3

# 5 SEM TDC DSE ASM (CBCS) 1 (A) (H)

## 2021

( Held in January/February, 2022 )

## ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (A)

( অসমীয়া ব্যাকৰণ, অভিধান আৰু জতুৱা প্ৰয়োগ )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু প্ৰশ্নৰ উত্তৰ কৰাঁ : ১×৮=৮

(ক) অসমীয়া ভাষাৰ স্বৰবৰ্ণ কেইটা?

(খ) অসমীয়া ভাষাৰ লিঙ্গ ব্যাকৰণগত হয়নে?

(গ) ‘পৰিভাষা’ৰ ইংৰাজী প্ৰতিশব্দ কি?

(ঘ) ‘অসমীয়া আখৰ জোঁটনিৰ সমীক্ষা’ গ্ৰন্থখনৰ লিখক কোন?

(ঙ) অসমীয়া ভাষাত অন্তঃসৰ্গৰ প্ৰয়োগ হয়নে?

(চ) এটা নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ নাম লিখাঁ।

(ছ) 'ন' দন্তমূলীয় নাসিক্য ধ্বনি হয়নে?

(জ) 'গৃহ' শব্দটো তৎসম নে তত্তৱ?

২। (ক) আখৰ জোঁটনি বুলিলে কি বুজাঁ? গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি'ৰ দ্বাৰা নিৰ্দেশিত অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ বিধিসমূহ আলোচনা কৰাঁ। ৩+১২=১

অথবা

(খ) অসমীয়া ভাষাৰ উচ্চাৰণৰ কেইটামান বৈশিষ্ট্য লিখাঁ। ১৫

৩। (ক) অসমীয়া ভাষাত ব্যৱহৃত নিৰ্দিষ্টবাচক সৰ্গসমূহ উল্লেখ কৰি এইবোৰৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া ভাষাৰ বচনবাচক সৰ্গ আৰু লিংগবাচক সৰ্গৰ ব্যৱহাৰ সম্পৰ্কে এটি আলচ যুগুত কৰাঁ। ৭+৭=১৪

৪। (ক) অভিধান বুলিলে কি বুজাঁ? অসমীয়া ভাষাৰ অভিধান সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ১৪

অথবা

(খ) আলোচনা কৰাঁ : ৭+৭=১৪

(১) অসমীয়া অভিধানৰ সংক্ষিপ্ত ৰূপ

(২) অনলাইন অভিধান

৫। (ক) প্ৰশাসনিক পৰিভাষা বুলিলে কি বুজাঁ? অসমীয়া ভাষাত প্ৰয়োগ হোৱা প্ৰশাসনিক পৰিভাষাসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) পৰিভাষা বুলিলে কি বুজাঁ? পৰিভাষাৰ বিভিন্ন শিতান সামৰি এটি আলচ যুগুত কৰাঁ। ৩+১২=১৫

৬। (ক) অসমীয়া ভাষাত জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) অৰ্থ লিখি বাক্য ৰচনা কৰাঁ : ২×৭=১৪

অজাত শত্ৰু ; আকাশত চাং পতা ; ওভতগোৰে নচা ; কঁকাল ভগা ; ডলাৰ বগৰী ; পানীৰ তলৰ কাঁইট ; হাড়ত বন গজা।

★★★